## বিদ্যালয়ৰ নেতৃত্ব: শিক্ষকসকলক সহযোগিতা কৰা

| অসমীয়া |
|---|
| কিছুমান অসুবিধা আছিল কাৰণ কোনেও কঠোৰ পৰিশ্ৰম কৰিব নিবিচাৰে, কিন্তু মই প্ৰত্যেককে উৎসাহিত কৰি ৰাখোঁ। স্কুলত থকাৰ সময়ত মই কেৱল মোৰ আসনতে বহি নেথাকোঁ।<br>যদিহে কোনো এটা শ্ৰেণী মৌন হৈ থাকে তেন্তে মই সেই বিষয়ে সোধোঁ যে ‘সমস্যাটো কি’। মই শিক্ষকসকলৰ<br>সমস্যাৱলীৰ বুজ ল’বলৈ চেষ্টা কৰোঁ। তেওঁলোকক ব্যক্তিগতভাৱে যোগাযোগ কৰোঁ।<br>তেওঁলোকে মোক সমস্যাবোৰ জনায় আৰু আমি আলোচনা কৰোঁ আৰু একেলগে ইয়াৰ এটা সমাধান উলিয়াওঁ। মূল কথাটো হৈছে যেতিয়া এজন শিক্ষকে নিজৰ শ্ৰেণীলৈ নাযায় তেতিয়া অন্য শিক্ষকসকলেও তেনে কৰি ভাল পায় আৰু ইয়ে ৰুটিনখন বিকল কৰে। মই বিদ্যালয়ত শৃংখলাবোধ বিচিৰোঁ।<br>প্ৰত্যেকেই যদি সময়সূচী মানি চলে তেন্তে কোনো সমস্যাৰ সৃষ্টি নহয় আৰু শিক্ষকসকলো সময়মতে তেওঁলোকৰ শ্ৰেণীত উপস্থিত হ’ব।<br>মই ঘূৰি থকা সময়ত তেওঁলোকক পাঠদানত মনোনিৱেশ কৰিবলৈ কওঁ। মই তেওঁলোকক বিদ্যালয় সংক্ৰান্তীয় আন কাম নকৰিবলৈ ৰাজী কৰাওঁ। শিক্ষকসকল শ্ৰেণীত পাঠদান কৰিবৰ বাবে প্ৰয়োজন।<br>যদিহে শিক্ষকসকলে আন কামত ব্যস্ত থাকে তেন্তে ছাত্ৰ-ছাত্ৰীসকলে আমনি পায় আৰু শ্ৰেণীত উপস্থিত থাকিবলৈ ইচ্ছা নকৰে। মই শিক্ষকসকলক পৰামৰ্শ দিওঁ যে আপোনালোকে শ্ৰেণীকোঠালৈ হাঁহিমুখেৰে যোৱা উচিত। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ সম্পৰ্ক উন্নত কৰিবলৈ চেষ্টা কৰক।<br>শিক্ষকসকলো এজন আনজনৰ প্ৰতি অতি সহৃদয়। আমি সকলোৱে একেলগে মনোৰঞ্জন কৰোঁ আৰু শিক্ষকদিৱস আৰু আন সকলো বিশেষ অনুষ্ঠান একেলগে উদ্‌যাপন কৰোঁ।<br>শিক্ষক আৰু ল’ৰা-ছোৱালীবোৰে গান গোৱা আৰু তেনেধৰণৰ ক্ৰিয়া-কলাপ উপভোগ কৰে তথা সেইবিলাকত অংশগ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰীবোৰে এইবোৰ ভাল পায়, আমনি নেপায়। সিহঁতক কিবা এটা কামলৈ যোৰ-জবৰদস্তি কৰা হৈছে বুলি নেভাৱে। আমি যেতিয়া একেলগে বহোঁ তেতিয়া মই যে প্ৰধান শিক্ষক সেই কথা তেওঁলোকক অনুভৱ কৰিবলৈ নিদিওঁ। মই তেওঁলোকৰ মাৰ্গদৰ্শন  কৰোঁ। কিবা এটা কাম কেনেকৈ দ্ৰুততাৰে কিন্তু নিখুঁতভাৱে সম্পন্ন কৰিব পাৰি সেইবিষয়ে তেওঁলোকক পৰামৰ্শ আগবঢ়াওঁ। মই তেওঁলোকৰ পৰামৰ্শসমূহো গ্ৰহণ কৰোঁ।<br>কেতিয়াবা মই ভাল পৰামৰ্শও শিক্ষকসকলৰ পৰা লাভ কৰোঁ। আমি একেলগে কাম কৰোঁ আৰু সহকৰ্মীৰ মাজত মানসিক চাপ সৃষ্টি হ’বলৈ নিদিওঁ। মোৰ প্ৰথম কাম হ’ল সকলো শিক্ষকে তেওঁলোকৰ সময়সূচী অনুযায়ী নিজ নিজ শ্ৰেণীকোঠাত উপস্থিত হোৱাটো সুনিশ্চিত কৰা।<br>আমাৰ এক নিৰ্দিষ্ট মাহেকীয়া পাঠ্যক্ৰম আছে। তেওঁলোকে মাহেকীয়া ভিত্তিত এই পাঠ্যক্ৰম শেষ কৰা উচিত আৰু লগতে মাহেকীয়া পৰীক্ষাবোৰো লোৱা উচিত।<br>সেই পৰীক্ষাবোৰত ছোৱালীবোৰৰ মাজত এ গ্ৰেড লাভ কৰাৰ সংখ্যা বৃদ্ধি পোৱা উচিত। আমাৰ লক্ষ্য হৈছে এ গ্ৰেড লাভ কৰা ছোৱালীৰ সংখ্যা বঢ়োৱা আৰু ডি আৰু ই গ্ৰেড পোৱা ছোৱালীবোৰক অতিৰিক্ত পাঠ আগবঢ়োৱা। আমি এই পাঠদানক প্ৰতিকাৰমূলক পাঠদান বুলি কওঁ। |

এই পাঠদানৰ জৰিয়তে আমি ছাত্ৰ-ছাত্ৰীসকলক সিহঁতৰ গ্ৰেড উন্নত কৰাত সহায় কৰোঁ। মই বি এছ চিৰ নিচিনা উচ্চ শ্ৰেণীৰ পাঠ্যপুথিৰ পৰা ছবি আৰু তালিকা আদি ব্যৱহাৰ কৰোঁ। তালিকা কৰি দেখুৱাওঁ।

শ্ৰেণীসমূহত এটা সুন্দৰ পৰিৱেশ গঢ়ি তুলিবলৈ চেষ্টা কৰোঁ। ছাত্ৰ-ছাত্ৰীসকলে এটা সম্পূৰ্ণৰূপে সজ্জিত শ্ৰেণীকোঠাত বহি থাকিবলৈ ভাল পায়। এইটো আগেয়ে হোৱা নাছিল, সেইবাবে ছাত্ৰ-ছাত্ৰীসকলকেই তেওঁলোকৰ শ্ৰেণীকোঠাসমূহ সজাই পৰাই তুলিবলৈ কৈছিলোঁ।

সিহঁতে বিষয়বস্তু অনুসৰি তালিকাবোৰ তৈয়াৰ কৰিছিল আৰু সিহঁতে এই তালিকা আৰু পোষ্টাৰবোৰ ব্যৱহাৰ কৰি বিষয়বস্তুটো অলংকৃত কৰি তুলিছিল।

এইদৰে তেওঁলোকে সকলোবোৰ তালিকা বাৰে বাৰে লক্ষ্য কৰিব আৰু সেইবোৰে তেওঁলোকৰ মনত সাঁচ বহুৱাই যাব। একে সময়তে শ্ৰেণীকোঠাটোও সুন্দৰ হৈ পৰিব।

ল’ৰা-ছোৱালীবোৰেও উপলদ্ধি কৰিব যে তেওঁলোকে যিকোনো বিষয় উন্নত মানৰ কৰি তুলিব পাৰে আৰু উন্নত চিত্ৰৰ সহায়েৰে আগবাঢ়ি যাব পাৰে তথা সেইবিলাক শ্ৰেণীকোঠাত অন্তৰ্ভুক্ত কৰিব পাৰে।

প্ৰধান শিক্ষক আৰু সহ-শিক্ষকসকলৰ মাজৰ সম্বন্ধ আন্তৰিকতাপূৰ্ণ হোৱা উচিত। এখন বিদ্যালয় সৰ্বপ্ৰথমে নিয়মানুৱৰ্তী হোৱা উচিত।

কোন সময়ত কি কাম কৰা উচিত এই সম্পৰ্কে কাগজত লিপিবদ্ধ নকৰাকৈ এটা সাধাৰণ ধাৰণা থকা উচিত। কিন্তু এই পৰিকল্পনা সম্পূৰ্ণৰূপে নিখুঁট হ’ব লাগিব।

উদাহৰণ স্বৰূপে, যদিহে প্ৰধান শিক্ষকসকল জলপানি বিতৰণ বা ইউনিৰ্ফম নাইবা বাইচাইকেল বিতৰণৰ দায়িত্বত থাকে তেন্তে তেওঁলোকে পৰিকল্পনা অনুসৰিয়েই এনেবোৰ আঁচনি ৰূপায়ন কৰা উচিত।

বিদ্যালয়খন এনেকৈ চলাব নালাগে যাতে এটা গুৰুত্বপূৰ্ণ কামত সকলো শিক্ষককে ইয়াত জড়িত কৰি ল’ৰা-ছোৱালীবোৰক উপেক্ষিত কৰি থোৱা হয়। এনেবোৰ কামে বিদ্যালয়ৰ উপস্থিতিত প্ৰভাৱ পেলায়।